# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 14-12-2025
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ২১ ডিচেম্বৰত নামৰূপৰ এম’নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ উদ্দেশ্যে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত কালি চাবুৱা, লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাৰ বাসগৃহত দলীয় কৰ্মকৰ্তাসকলৰ সৈতে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন বিশেষ আলোচনাত মিলিত হয়। প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটি সুচাৰুৰূপে চলাই নিয়াৰ বাবে মন্ত্ৰীগৰাকীৰ উপস্থিতিত অনুষ্ঠিত গুৰুত্বপূৰ্ণ বৈঠকখনত সকলো কৰ্মকৰ্তাকে নিজ নিজ দায়িত্বসমূহ ভগাই দিয়া হয়। মন্ত্ৰী ফুকনে সকলোকে সুকলমে নিজ নিজ দায়িত্ব পালন কৰিবলৈ আৰু প্ৰধানমন্ত্ৰী অসম আগমনৰ এই ক্ষণ ঐতিহাসিক হিচাপে চিহ্নিত কৰি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। উল্লেখযোগ্য মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাইও প্ৰধানমন্ত্ৰীগৰাকীৰ আগমনক লৈ ক্ষেত্ৰ পৰিদৰ্শন কৰি সমগ্ৰ প্ৰস্তুতি সম্পৰ্কে বুজ লয়। তেওঁ উচ্চ পদস্থ বিষয়াবৰ্গৰ সৈতে এই সন্দৰ্ভত এখন বৈঠকতো মিলিত হৈছিল। প্ৰধানমন্ত্ৰীৰ আগমন সন্দৰ্ভত ডিব্ৰুগড় জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিৰ বিধায়কসকলেও নিজ নিজ অঞ্চলত প্ৰস্তুতি সম্পৰ্কে অৱগত হ’বলৈ মিলিত হৈছে।

ooooooo

পাকিস্তানৰ চোৰাংচোৰা সংস্থাৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগত তেজপুৰ আৰক্ষীয়ে কালি ভাৰতীয় বায়ু সেনাৰ অৱসৰপ্ৰাপ্ত বিষয়া কুলেন্দ্ৰ শৰ্মাক গ্ৰেপ্তাৰ কৰে। ধৃত কুলেন্দ্ৰ শৰ্মাই দেশৰ প্ৰতিৰক্ষা বিভাগৰ অতি স্পৰ্শকাতৰ নথিপত্ৰ আৰু তথ্য সামাজিক মাধ্যমৰ জৰিয়তে পাকিস্তানী চোৰাংচোৰাক প্ৰদান কৰাৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে অভিযুক্ত লোকজনৰ লেপটপ আৰু মোবাইল জব্দ কৰি পৰীক্ষাৰ বাবে গৱেষণাগাৰলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে অভিযুক্ত লোকজনে ২০০২ চনত বায়ু সেনাৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত লোকজনে তেজপুৰ বিশ্ববিদ্যালয়ৰ ইলেকট্ৰনিক বিভাগত কৰ্মৰত হৈ অৱসৰ গ্ৰহণ কৰে বুলি শোণিতপুৰৰ উপ-আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰিছে। ইপিনে কুলেন্দ্ৰ শৰ্মাক গ্ৰেপ্তাৰৰ পাছতে গাঁওবাসীয়ে তেওঁৰ এই কাণ্ডৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি শীঘ্ৰেই গাঁও এৰাৰ দাবী উত্থাপন কৰিছে।

***বাইট (প্ৰতিবাদকাৰী)***

ooooooo

নাগৰিকত্ব সংশোধনী আইন, CAA-ৰ অধীনত এতিয়ালৈ বৰাকৰ দুগৰাকী ব্যক্তিয়ে ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে। শ্ৰীভূমি জিলাত বাস কৰা বাংলাদেশৰ চট্টগ্ৰামৰ ৪০ বছৰীয়া এগৰাকী মহিলাক CAA-ৰ অধীনত ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰা হৈছে। নাগৰিকত্ব লাভ কৰা মহিলাগৰাকীয়ে ২০০৭ চনত চিকিৎসাৰ বাবে আহি শ্ৰীভূমিৰ এজন ব্যক্তিৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈ স্থায়ীভাৱে থাকিবলৈ আৰম্ভ কৰিছিল। ২০১৯ চনত CAA গৃহীত হোৱাৰ পিছত নাগৰিকত্বৰ বাবে আবেদন কৰি দীৰ্ঘদিনীয়া প্ৰক্ৰিয়াৰ অন্তত কেন্দ্ৰীয় চৰকাৰৰ স্বীকৃতি লাভ কৰে। আনহাতে, শিলচৰৰ এজন ৬১ বছৰীয়া এজন ব্যক্তিও CAA-ৰ অধীনত ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে।

০০০০০০০

নগাঁও জিলা প্ৰশাসনে পৰহিলৈ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত কেইবাখনো গাঁৱত উচ্ছেদ চলাব। চালনাবাৰী গাঁৱৰ ভেৰভেৰি বিলৰ পৰা মাগুৰমাৰী বিললৈকে এই উচ্ছেদ চলিব। ধিং ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই কালি উচ্ছেদ চলাবলগীয়া স্থানসমূহ পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে একাংশ মীনপালকে টুকটুকি, আহোমগাঁও, কটগুৰি, ৰৌমাৰী বিল, মৈৰাধবজ গাঁৱত থকা প্ৰাকৃতিক পানীৰ সুতি ৰূদ্ধ কৰি অবৈধভাৱে পুখুৰী বান্ধ নিৰ্মাণ কৰিছে। যাৰ ফলত পানীৰ চলাচল বন্ধ হৈ যোৱাত গাঁওবাসীয়ে সমস্যাৰ সন্মুখীন হৈছে। প্ৰাকৃতিক পানীৰ সুঁতি পুনৰ উজ্জীৱিত কৰাৰ লক্ষ্যৰে ১৬ ডিচেম্বৰত এই অঞ্চলসমূহত উচ্ছেদ চলিব বুলি চক্ৰ বিষয়া সৌৰভ কুমাৰে জানিবলৈ দিছে।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত অনুষ্ঠিত হৈ থকা চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে গ্ৰন্থমেলাৰ বাকৰিত উপস্থিত হৈ নৱপ্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ বাবে আহ্বান জনায়। তেওঁ কয়, যে গ্ৰন্থ অধ্যয়নৰ অভ্যাসেহে এখন সমাজ শক্তিশালী কৰিব পাৰে। বৰ্তমানৰ প্ৰতিযোগিতাৰ পৃথিৱীখনত সফলতাৰে বৰ্তি থাকিবলৈ হ'লে অধ্যয়নৰ বিকল্প একো নাই বুলি তেওঁ উল্লেখ কৰে। বিয়লিৰ ভাগত গ্ৰন্থমেলাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে শিল্পীগৰাকীৰ গীতিসাহিত্য আৰু গায়নশৈলী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। মাজুলী সংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° নিৰোদ বৰুৱাই এই আলোচনা সত্ৰখন উদ্বোধন কৰে।

০০০০০০০

**সমাপ্ত**